بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِیۡمِ نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০২০ চনৰ ১৪ আগষ্টত মছজিদ মোবাৰক ইছলামাদ (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

আশ্বহাদু আল্লা ইলাহা ইল্লাল্লাহু ওয়াহদাহু লাশ্বাৰিকালাহু ওয়া আশ্বহাদু আন্না মুহাম্মাদান আবদুহু ওয়া ৰাছুলুহু - আম্মা বাদু ফাউজুবিল্লাহ হিমিনা শ্বায়তানিৰ ৰাজিম - বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম - আলহামদু লিল্লাহি ৰাববিল আলামিন-আৰ ৰাহমানিৰ ৰাহিম- মালিকি ইয়াও মিদ্দিন - ইয়াকানা বুদু ওয়া ইয়া কানাছ তাঈন- ইহদিনাছ ছিৰাতাল মুছতাকিমা ছিৰাতাল্লাজিনা আন-আমতা আলায়হিম গায়ৰিল মাগজুবি আলায়হিম ওয়ালাজ্জালিন।

তাছাহুদ, তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে ইয়াৰ আগৰ জুমাৰ খোতবাবোৰত হজৰত ছাআদ বিন আবি উকাচ (ৰাঃ)ৰ বিষয়ে বৰ্ণনা চলি আছিল। আজি আকৌ তেখেত (ৰাঃ)বিষয়ে কিছু কথা বৰ্ণনা কৰা হব। হজৰত মুছলেহ মাওউদ (ৰাঃ) য়ে কৈছে যে হজৰত ছাআদ বিন আবি উকাচ (ৰাঃ) হজৰত ৰছুলে কৰিম (ছাঃ)ৰ বিশ্বাসী চাহাবা সকলৰ মাজত এজন আছিল। হজৰত উমৰ (ৰাঃ)য়ে হজৰত ছাআদ (ৰাঃ) ক এখেত (ৰাঃ)ৰ খিলাফত কালত ইৰানী সৈন্য দলৰ সেনাপতি নিযুক্ত কৰিছিল। এনেতে হজৰত ছাআদ (ৰাঃ)ৰ উৰুত ফোড়া উঠিছিল, যি এটা দীঘলীয়া সময়লৈকে পীড়াজনক হৈ আছিল। বৰ ভালদৰে এই বেমাৰৰ চিকিৎসা কৰা হৈছিল যদিও আৰোগ্য লাভ কৰিব নোৱাৰিছিল। অৱশেষত হজৰত ছাআদ (ৰাঃ)য়ে মনত ধাৰণা কৰিছিল যে যদি মই নৰীয়া পাটীত পৰি থাকো আৰু সৈন্য বিলাকে দেখা পায় যে সিহঁতৰ সেনাপতি লগত নাই তেন্তে সিহঁতৰ মন ভাঙি পৰিব। গতিকে তেখেত (ৰাঃ)য়ে এটা গছৰ ওপৰত বহিবলৈ এখন ঠাই বনাই লৈছিল আৰু হজৰত ছাআদ (ৰাঃ)য়ে বেলেগৰ সহায় লৈ তাত উঠি বহি লৈছিল যাতে মুছলমান সৈন্যই তেখেতক দেকিবলৈ পায় আৰু ভাৱে যে সিহঁতৰ সেনাপতি সিহঁতৰ লগত আছে। সেই সময়ছোৱাত হজৰত ছাআদ (ৰাঃ) খবৰ পাইছিল যে এজন আৰৱ চৰদাৰে মদ পান কৰিছে তেতিয়া হজৰত ছাআদ (ৰাঃ)য়ে সেই চৰদাৰ জনক বন্ধী কৰি থৈছিল। চৰদাৰ জনৰ মদ পান কৰাৰ প্ৰতি দুৰ্বলতা আছিল যদিও তেওঁৰ বীৰত্বও আছিল আৰু তাৰ হৃদয়ত আগ্ৰহও আছিল। যুদ্ধত মুছলমান সকলৰ ক্ষতি সাধন হোৱাৰ কথা শুনি নিজৰ কোঠাত এনেদৰে আবেগিক হৈ ইফাল-সিফাল টইল কৰিছিল যে যেনেকৈ বাঘ সঁজাৰ ভিতৰত ঘুৰি থাকে। এনেদৰে ঘুৰি ঘুৰি কবিতা পাঠ কৰিছিল, যাৰ অৰ্থ আছিল এয়া যে “আজিয়ে সুযোগ আছিল তই ইছলামৰ ৰক্ষা কৰাৰ আৰু নিজৰ বীৰত্ব প্ৰদৰ্শন কৰাৰ কিন্তু তই যে বন্ধী। হজৰত (ছাআদ (ৰাঃ)ৰ পত্নী বৰ সাহসী মহিলা আছিল। তাই সেই চৰদাৰ জনৰ কবিতা পাঠ কৰা শুনিছিল আৰু তেওঁক কৈছিল যে তুমি নাজানানে ছাআদে যে তোমাক বন্ধী বনাই থৈছে যদি তেওঁ জানিব পাৰে যে মই তোমাক মুক্ত কৰি দিছো তেন্তে তেওঁ মোক সুধাই নেৰে। কিন্তু মোৰ ইচ্ছা হয় যে মই তোমাক মুক্ত কৰি দিওঁ যাতে তুমি নিজৰ ইচ্ছা অনুযায়ী ইছলামৰ কাম কৰিব পাৰা। তেতিয়া তেওঁ কৈছিল যে এতিয়া যুদ্ধ চলি আছে, তুমি মোক এৰি দিয়া, মই প্ৰতিশ্ৰুতি দিওঁ যে যুদ্ধৰ পিছত ঘুৰি আহি এই কোঠাতেই থাকিম। উক্ত মহিলা জনীৰ হৃদয়ত ইছলামৰ প্ৰতি বৰ প্ৰেম আছিল, যাৰ ফলত ইছলামৰ ৰক্ষণা-বেক্ষণৰ প্ৰতিও আগ্ৰহ আছিল। সেয়ে হজৰত ছাআদ (ৰাঃ)ৰ পত্নীয়ে উক্ত বন্ধীজনক মুক্ত কৰি দিছিল আৰু তেওঁ গৈ যুদ্ধত যোগ দিছিল আৰু এনেকুৱা উৎসাহেৰে ৰণত জপিয়াই পৰিছিল যে তাৰ বীৰত্বৰ বলত ইছলামী সৈন্য পিছুৱাই অহাৰ পৰিবৰ্তে আগবাঢ়ি গৈছিল। হজৰত ছাআদ বিন আবি উকাচ (ৰাঃ)য়ে তাক চিনি পাইছিল আৰু পিছত কৈছিল যে আজিৰ যুদ্ধত সেইজন ব্যক্তি অংশগ্ৰহন কৰিছিল যাক মই মদ পান কৰাৰ অপৰাধত গ্ৰেপ্তাৰ কৰি ৰাখিছিলো। যদিও সি মুখত নেকাব লৈ লৈছিল তথাপি মই তাৰ আক্ৰমণ কৌশল আৰু তাৰ উচ্চতা চাই তাক চিনি পাইছো। মই নিশ্চয় তাক বিচাৰিম, যিজনে এওঁক বন্ধীত্বৰ পৰা মকুলি কৰি দিছে আৰু তাক মই শাস্তি বিহিম। যেতিয়া হজৰত ছাআদ (ৰাঃ)য়ে এই কথাবোৰ কৈ আছিল তেতিয়া তেখেত (ৰাঃ) পত্নীয়ে কথাবোৰ শুনি খঙতে কৈছিল যে তোমাৰ লাজ লগা নাই নে, যে নিজে গছৰ ওপৰত বাহঁ বনাই বহি লৈছা আৰু সেইজন ব্যক্তিক গ্ৰেপ্তাৰ কৰি ৰাখিছা, যিয়ে শত্ৰু সৈন্যৰ মাজত নিৰ্ভয়ে সোমাই গৈছে আৰু নিজৰ প্ৰাণলৈ ভ্ৰুক্ষেপ কৰা নাই। মই তাক বন্ধী মুক্ত কৰি দিছো, তুমি যি বিচৰা কৰিব পাৰা।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে লাজনা (মহিলা) সকলৰ আগত এটা ভাষনত এই ঘটনা বৰ্ণনা কৰিছিল আৰু কৈছিল

যে মহিলা সকলেও ইছলামত ডাঙৰ ডাঙৰ কাম সমাধা কৰিছে। গতিকে আজিও আহমদী মহিলা সকলে সেই দৃষ্টান্ত সমুহ আগত ৰাখিব লাগিব।

এনেদৰে কাদছিয়া বিজয়ৰ পিছত ইছলামী সৈন্যই বাবুল বিজয় কৰিছিল। ইয়াৰ পিছতেই যুদ্ধৰ মাজেৰে ময়েদানেও জয় কৰিছিল আৰু আঁহজৰত (ছাঃ)ৰ আহযাবৰ যুদ্ধৰ সময়ত কৰা ভৱিষ্যতবানী পূৰ্ণ হৈছিল।

ইয়াৰ পিছত হজৰত ছাআদ (ৰাঃ)য়ে হজৰত উমৰ (ৰাঃ)ৰ ওচৰত আৰু আগবাঢ়ি যোৱাৰ বাবে অনুমতি বিচাৰিছিল। কিন্তু হজৰত উমৰ (ৰাঃ) বিজিত অঞ্চলৰ বাবে শাসন ব্যৱস্থাৰ ফালে মন দিয়া। সেয়ে হজৰত ছাআদ বিন আবি উকাচ (ৰাঃ)য়ে মদায়েনক কেন্দ্ৰস্থল হিচাপে লৈ শাসন কামৰ দায়িত্ব পালন কৰিছিল। প্ৰজাৰ আৰাম আৰু সকলো ধৰণৰ সা-সুবিধাৰ ব্যৱস্থা কৰি দিছিল। আনহাতে নিজৰ সুন্দৰ প্ৰচেষ্টা আৰু সুন্দৰ কাৰ্য্য প্ৰণালীৰ প্ৰমান কৰি দিছিল যে তেখেতক আল্লাহ তায়ালা ৰণ দক্ষতাৰ সৈতে শাসন পৰিচালনাৰ বুদ্ধিমত্তাও দান কৰিছিল। মদায়েনৰ পৰিবেশ পৰিস্থিতি আৰৱীয় সকলৰ অনুকুলে নাছিল সেয়ে হজৰত ছাআদ (ৰাঃ)য়ে হজৰত উমৰ (ৰাঃ)ৰ অনুমতি ক্ৰমে এখন নতুন চহৰ স্থাপন কৰিছিল আৰু তাত আৰৱৰ বিভিন্ন কবিলাক ভাগে ভাগে বসতি স্থাপন কৰিছিল। চহৰ খনৰ মাজ-মজিয়াত এখন মছজিদ নিৰ্মান কৰোৱাইছিল। য'ত একেলগে ৪০০০০লোকে নমাজ পঢ়াৰ সুবিধা আছিল।

চন ২৩ হিজৰিত যেতিয়া হজৰত উমৰ (ৰাঃ)ক হত্যা কৰিবলৈ আক্ৰমণ চলোৱা হৈছিল তেতিয়া লোক সকলে হজৰত উমৰ (ৰাঃ)ৰ ওচৰলৈ আবৰদন জনাইছিল যে তেখেতে খিলাফতৰ বাবে কোনো এজনৰ নাম মনোনীত কৰিব লাগে। তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে খিলাফত নিৰ্বাচনী বোৰ্ড নিযুক্ত কৰিছিল। এই বোৰ্ডৰ সদস্য আছিল হজৰত উচমান (ৰাঃ), হজৰত আলি (ৰাঃ), হজৰত আব্দুৰ ৰহমান বিন অউফ (ৰাঃ), হজৰত ছাআদ বিন আবি উকাচ (ৰাঃ), হজৰত জাবিৰ বিন আওয়াম (ৰাঃ) আৰু হজৰত তালহা বিন উবায়দুল্লাহ (ৰাঃ)। হজৰত উমৰ (ৰাঃ)য়ে কৈছিল যে এই কেইজনৰ পৰা তোমালোকে কোনো এজনক বাঁছি লবা কাৰণ আঁহজৰত (ছাঃ)য়ে এওঁলোকক জান্নাতৰ বাসিন্দা বুলি কৈছে। আকৌ কৈছিল যে যদি খিলাফত ছাআদ বিন আবি উকাচে লাভ কৰে তেন্তে তেওঁৰেই খলিফা হব নাইবা তোমালোকৰ কোনোবাই খিলাফতত অধিষ্ঠিত হলে তেওঁ ছাআদৰ সহায় লৈ থাকিব।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হজৰত উচমান (ৰাঃ)ৰ খিলাফত কালত যেতিয়া মুছলমানৰ মাজত অন্তৰ কলহৰ সুত্ৰপাত হৈছিল আৰু এই বিবাদৰ অন্ত পেলাবলৈ চাহাবা সকলৰ সুন্দৰ প্ৰচেষ্টা সম্পৰ্কে বৰ্ণনা কৰোঁতে হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে - সম্ভৱত তেতিয়া চাহাবা সকলক হজৰত উচমান (ৰাঃ)ৰ ওচৰত গৈ গোট খাবলৈ দিয়া হোৱা নাছিল। পৰিস্থিতি, পৰিবেশ আৰু সময়ৰ চাহিদা অনুযায়ী তেওঁলোকে নিজৰ কাম বিলাক দুটা ভাগত ভগাই লৈছিল। যি সকল লোক বয়সস্ত আছিল আৰু যি সকলৰ চাৰিত্ৰিক প্ৰভাৱ জনসাধাৰণৰ ওপৰত বেছি প্ৰণোদিত আছিল, তেওঁলোকে নিজৰ সক্ষমতা আৰু নিজৰ পৰিস্থিতি সম্পৰ্কে লোকক বুজনি দিছিল। আনফালে যি সকল লোকৰ কোনো ধৰণৰ প্ৰভাৱ নাছিল নাইবা ডেকা বয়সৰ আছিল, তেওঁলোকে হজৰত উচমান (ৰাঃ)ৰ নিৰাপত্তা ৰক্ষী হিচাপে কাম কৰিছিল। উল্লেখনীয় কথা হ'ল জমাতত হজৰত আলি (ৰাঃ) আৰু হজৰত ছাআদ বিন আবি উকাচ (ৰাঃ)য়ে পাৰস্য বিবাদ নিষ্পত্তি কৰিবলৈ আটাইকৈ বেছি চেষ্টা কৰিছিল। হজৰত উচমান (ৰাঃ)ৰ পিছত হজৰত আলি (ৰাঃ)ৰ খিলাফত কালতো হজৰত ছাআদ বিন আবি উকাচ (ৰাঃ) পৃথকে হৈ থাকিছিল। এটা ৰোৱায়েত অনুযায়ী যেতিয়া হজৰত আলি (ৰাঃ) আৰু আমিৰ মুৱাবিয়াৰ মাজত মত বিৰুধৰ উদ্ভৱ হৈছিল, তেতিয়া আমিৰ মুৱাবিয়া তিনিজন চাহাবা ক্ৰমে হজৰত আব্দুল্লাহ বিন উমৰ, হজৰত ছাআদ বিন আবি উকাচ আৰু হজৰত মহম্মদ বিন মুছলীমাক সহায় বিচাৰি পত্ৰ প্ৰেৰণ কৰিছিল আৰু তেওঁলোকক লিখিছিল যে তেওঁলোকে হজৰত আলিৰ বিৰুদ্ধে যেন সহায় কৰে। কিন্তু এওঁলোক তিনিওজনে সেয়া অস্বীকাৰ কৰিছিল।

এবাৰ আমিৰ মুৱাবিয়ায় হজৰত ছাআদ বিন আবি উকাচক সুধিছিল যে হজৰত আলিক বেয়া কবলৈ আপোনাক নো কিহে বাধা দিয়ে? হজৰত ছাআদ (ৰাঃ)য়ে উত্তৰত কৈছিল যে সেই তিনিটা কথাই, যি ৰছুলুল্লাহ (ছাঃ)য়ে তেখেতৰ বিষয়ে কৈছে। যদি তাৰে মই লাভ কৰিব পাৰিলোহেতেঁন তেন্তে সেয়া মোৰ বাবে ৰঙা উটতকৈ বেছি প্ৰিয় হলহেতেঁন। আন এটা ঘটনা এনেদৰে উল্লেখ আছে যে এবাৰ ৰছুলুল্লাহ (ছাঃ)য়ে হজৰত আলি (ৰাঃ)ক এটা যুদ্ধত নিজৰ দায়িত্ব অৰ্পন কৰি এৰি থৈ গৈছিল। তেতিয়া হজৰত আলি (ৰাঃ)তেখেত (ছাঃ)ক কৈছিল ইয়া ৰছুলুল্লাহ (ছাঃ) আপুনি মোক কিয় মহিলা আৰু শিশু সকলৰ মাজত এৰি থৈ গৈ আছে? হজৰত ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল - কিয়, তুমি এই বিষয়ে সন্তষ্টি নহয় নে যে তোমাৰ আৰু মোৰ মাজত ঠিক তেনেকুৱা সম্পৰ্ক তেনেকুৱা যেনেকুৱা সম্পৰ্ক আছিল মুছা আৰু হাৰুণৰ মাজত ইয়াত কেৱল ইখিনিয়ে পাৰ্থক্য আছে যে মোৰ পিছত তুমি নবুয়তৰ মৰ্যাদা লাভ কৰিব নোৱাৰা। দ্বিতীয় কথা হ'ল এয়া যে খয়বৰৰ যুদ্ধৰ সময়ত হজৰত ৰছুলে কৰিম (ছাঃ)য়ে এবাৰ কৈছিল যে মই এনে এজন লোকক ইছলামী পতাকা প্ৰদান কৰিম, যিজনে আল্লাহ আৰু তাৰ ৰছুলক ভাল পায়। ৰছুলুল্লাহ (ছাঃ)য়ে তেখেতক (হজৰত আলিক) ইছলামী পতাকা প্ৰদান কৰিছিল আৰু

আল্লাহ্ তায়ালা সেইদিনা মুছলমান সকলক বিজয় দান কৰিছিল। আকৌ তৃতীয় কথা হ'ল এয়া যে যেতিয়া এই আয়াত "ফাকুল তাআলাও নাদউ আবনা আনা ওয়া আবনা আকুম ওয়া নিছা আকুম" অৰ্থ্যাৎ তুমি কোৱা যে আহা ! আমি আমাৰ সন্তানক মাতি দিওঁ আৰু তুমি তোমাৰ সন্তানক মাতি দিয়া, আমি আমাৰ মহিলা সকলক মাতি দিওঁ আৰু তুমি তোমালোকৰ মহিলা সকলক মাতি দিয়া) অৱতীৰ্ণ হৈছিল তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে হজৰত আলি (ৰাঃ) হজৰত ফাতিমা আৰু হজৰত হাছান আৰু হজৰত হুছেইনক মতাই আনিছিল আৰু কৈছিল যে - হে আল্লাহ ! এয়া হ'ল মোৰ পৰিয়াল বৰ্গ।

হজৰত ছাআদ আবি উকাচ (ৰাঃ)ৰ পুত্ৰ মুচাআব বিন ছাআদ বৰ্ণনা কৰিছে যে - মোৰ দেউতাকৰ মুমূৰ্খ অৱস্থাত তেখেতৰ মূৰটো মোৰ কোলাত তুলি লোৱা আছিল, মোৰ দুচুকুৰে চকুলো বৈ আহিছিল, পিতৃদেউয়ে মোলৈ চাই কৈছিল যে হে মোৰ প্ৰিয় পুত্ৰ ! তোমাক কিহে কন্দাইছে ? মই উত্তৰত দিছিলো, আপোনাৰ মৃত্যুৰ শোক আৰু এই বিষয়ে চিন্তা কৰি কান্দিছো যে মই আপোনাৰ পিছত আপোনাৰ ঠাইত কাকো দেখিবলৈ পোৱা নাই। তেতিয়া হজৰত ছাআদ (ৰাঃ)য়ে কৈছিল মোলৈ নেকান্দিবা, আল্লাহ তায়ালা কেতিয়াও মোক শাস্তি নিদিয়ে আৰু মই জান্নাতী সকলোৰে এজন হওঁ। হজৰত ছাআদ বিন আবি উকাচ (ৰাঃ)য়ে ৫৫ হিজৰি চনত মৃত্যু বৰণ কৰিছিল। মৃত্যুৰ সময়ত এখেত (ৰাঃ)ৰ বয়স হৈছিল ৭০ বছৰতকৈ বেছি। মাৰোৱান বিন হাকামে হজৰত ছাআদ বিন আবি উকাচ (ৰাঃ)ৰ নমাজে জানাজা পঢ়াইছিল। মাৰোৱান বিন হাকাম তেতিয়া মদিনাৰ শাসক আছিল। হজৰত ছাআদ বিন আবি উকাচ (ৰাঃ)ৰ জানাজাৰ নমাজত নবী (ছাঃ)ৰ পৱিত্ৰ ভাৰ্য্যা সকলেও অংশ গ্ৰহন কৰিছিল। এখেত (ৰাঃ)ক জান্নাতুল বকিত সমাধিস্থ কৰা হৈছিল। তেতিয়াৰ কিছুমান লোকে উম্মাহাতুল মোমিনিন সকলৰ এই কাৰ্য্যৰ সমালোচনা কৰিবলৈ লৈছিল। তেতিযা হজৰত আয়শা (ৰাঃ)য় কৈছিল যে আমাৰ ওপৰত এয়া অভিযোগ উত্থাপন কৰা হৈছে যে জানাজা মছজিদৰ মাজেদি লৈ যোৱা হৈছে কিন্তু ইয়াৰ আগতে ৰছুলুল্লাহ (ছাঃ)য়ে ছুহেল বিন বায়জাৰ নমাজে জানাজা মছজিদৰ ভিতৰত পঢ়িছিল। হজৰত ছাআদ বিন আবি উকাচ (ৰাঃ)য়ে বিভিন্ন সময়ৰ ব্যৱধানত ৭ টা বিয়া কৰাইছিল আৰু তেওঁলোকৰ গৰ্ভত সকলো মিলি ৩৪ জন সন্তানৰ জন্ম হৈছিল। তাৰ মাজত ১৭ জন কন্যা সন্তান আছিল।

খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে মকৰম ছফদৰ আলি গোজ্জাৰ চাহাব, মকৰমা উফফত নচিৰ চাহিবা, মকৰম আব্দুৰ ৰহিম ছাকি চাহাব, আৰু মকৰমা ছঈদ আহমদ ছেহ্গাল চাহাবৰ চমু জীৱনী আগুৰাই নমাজে জুমাৰ পিছত মৰহুমিন সকলৰ নমাজে জানাজা গায়েব পঢ়াইছে। ইন্না লিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন। (আমিন)

"আলহামদু লিল্লাহি নাহমাদুহু ওয়া নাছতাঈনুহু ওযা নাছতাগফিৰুহু ওয়ানু মিনু বিহি ওয়া নাতাওয়াক্কালু আলায়হি ওয়া নাউজুবিল্লাহি মিন শুৰুৰি আনফুছিনা ওয়া মিন ছাইয়ে আতি আমালিনা মাই ইয়াহ দিহিল্লাহু ফালা মুজিল্লাল্লাহু ওয়া মাই-ইউজ লিলহু ফালা হাদিয়ালাহু ওয়া নাশ্বহাদু আল্লা ইলাহা ইল্লাল্লাহু ওয়া নাশ্বহাদু আন্না মুহাম্মাদান আবদহু ওয়া ৰাছুলুহু,

ইবাদাল্লাহি ৰাহিমুকুমুল্লাহি ইন্নাল্লাহা ইয়ামুৰুবিল আদলি ওয়াল ইহছানি ওয়া ইতাইজিল কুৰবা ওয়া ইয়ানহা আনিল ফাহশায়ি ওয়াল মুনকাৰি ওয়াল বাগি ইয়াইজুকুম লা-আল্লাকুম তাজাক্কাৰুনা উজকুৰুল্লাহ ইয়াজ কৰুকুম ওয়াদ উহু ইয়াছ তাজিবলাকুম ওয়ালা জিকৰুল্লাহি আকবাৰ"।

**Assamese Khulasa Khutba Jumma Huzoor Anwar 14 AUG . 2020**

**(BOOK POST PARINTED MATTER)**

**To** ---------------------------------------------------------------------------

---------------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**